Total No. of Printed Pages—3

**1 SEM FYUGP AECASM1**

**2023**

( December )

ASSAMESE

( Modern Indian Language )

Paper : AECASM1

**( অসমীয়া ভাষাৰ কৌশল আৰু দক্ষতা বিকাশ )**

*Full Marks* : 80

*Pass Marks* : 24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) 'নিকা অসমীয়া ভাষা'ৰ লেখক কোন?

(খ) নিজে লিখা কথাৰ মাজত আনৰ বক্তব্য হুবহু ব্যৱহাৰ কৰিলে কোনবিধ চিহ্ন প্ৰয়োগ কৰা হয়?

(গ) 'ব্যক্তিত্ব, সুকুমাৰ কৌশল আৰু যোগাযোগ' গ্ৰন্থখনৰ লেখক কোন?

(ঘ) অসমীয়া সাহিত্যত সাহিত্য অকাডেমি বঁটা পোৱা প্ৰথমগৰাকী অসমীয়া সাহিত্যিক কোন?

(ঙ) ‘মোৰ শেষ পাঠ’ পাঠটোৰ মূল কি ?

(চ) ইছলামীয় ভাস্কৰ্যৰ মূল বৈশিষ্ট্য কি ?

(ছ) অসম কোম্পানীৰ সদৰ ঠাই ক’ত পতা হৈছিল ?

(জ) পৰিভাষাৰ ইংৰাজী প্ৰতিশব্দ কি ?

২। (ক) অসমীয়া ভাষাত প্ৰয়োগ হোৱা যতিচিহ্ন সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ। ১২

*অথবা*

(খ) অসমীয়া ভাষাৰ শব্দগঠন সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ।

৩। ভাল লেখনৰ বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰাঁ। ৬

৪। তোমাৰ অঞ্চলৰ যি কোনো এটা সমস্যা অৱগত কৰি স্থানীয় বিধায়ক মহোদয়লৈ এখনি স্মাৰকপত্ৰ লিখাঁ। ১২

৫। (ক) তোমাৰ শিক্ষানুষ্ঠানত অনুষ্ঠিত হৈ যোৱা কবিতা আবৃত্তিৰ কৰ্মশালাখনিৰ এখনি কাৰ্যবিৱৰণী যুগুত কৰাঁ। ১০

*অথবা*

(খ) শ্ৰেণীত অনুপস্থিতিৰ কাৰণ দৰ্শাই বিভাগীয় প্ৰধানলৈ এখন আৱেদনপত্ৰ লিখাঁ।

৬। (ক) “এই পঢ়াশালিত আজি মোৰ পাঠ শেষ—হায়! চেনেহৰ মোৰ মাতৃভাষা।” কথাষাৰিৰ আধাৰত পাঠটোৰ মূল বক্তব্য বিচাৰ কৰাঁ। ১০

(খ) “... অজস্র ধন সংগ্রহ কৰি অসমৰ হাবিত খৰচ কৰিলে জানোচা লাভ হওক ছাৰি মূলৰেই পৰালি পৰেগৈ; জানোচা, গর্ডন চাহাবে চীন দেশৰ পৰা পুলি আনি ৰোওৱাৰ দশাই হয়গৈ। এইদৰে কলিকতাৰ ইংৰাজ বণিক সম্প্রদায়ে দোধোৰ-মোধোৰত পৰি কথন-মথন কৰি থাকোঁতেই মণিৰাম দুৱৰা উপস্থিত। বৃটিছ সাউদে এনেভাৱে দুই নাৱত দুই ভৰি দি গুণা-গঁথা কৰি থকা দেখি মণিৰামে জনালে, বোলে অসমত—অপ্লাৰিত চাহৰ গছ আছে। চাহৰ খেতিত ধন লগালে মূল যি নপৰেই; লাভে চৌ-চোৱাই থাকিব।”

ওপৰৰ পাঠ্যাংশত ব্যৱহৃত যি কোনো **চাৰিটা** জতুৱা ৰূপ বাচি উলিয়াই অৰ্থ লিখি বাক্য-ৰচনা কৰাঁ। ২×৪=৮

৭। (ক) তোমাৰ অধ্যয়নৰ বিষয়-ক্ষেত্ৰৰ লগত জড়িত বিষয় এটা বাছনি কৰি বিদ্যায়তনিক প্ৰবন্ধ এটা যুগুত কৰাঁ। ১৪

*অথবা*

(খ) ‘মানুহ শংকৰদেৱ’ পাঠটিৰ এটি সমালোচনা যুগুত কৰাঁ।

★★★